**সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি মহামহিম শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানৰ ভাৰত ভ্ৰমণ**

জানুৱাৰী 18, 2026

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ ক্ৰমে সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি মহামহিম শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানে অহা 19 জানুৱাৰী 2026 তাৰিখে ভাৰতলৈ চৰকাৰী ভ্ৰমণৰ বাবে আহিব। সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছত এয়া মহামহিমৰ তৃতীয়টো চৰকাৰী ভাৰত ভ্ৰমণ হ'ব, আৰু যোৱা এটা দশকত তেওঁৰ এয়া পঞ্চমটো ভাৰত ভ্ৰমণ হ'ব। এই ভ্ৰমণে শেহতীয়া উচ্চস্তৰীয় আদান-প্ৰদানৰ ফলত সৃষ্টি হোৱা শক্তিশালী গতিশীলতাক অধিক আগুৱাই লৈ যাব, য'ত 2024 চনৰ ছেপ্টেম্বৰত আবু ধাবিৰ যুৱৰাজ মহামহিম শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ ভ্ৰমণ আৰু 2025 চনৰ এপ্ৰিলত সংযুক্ত আৰব আমিৰশ্বাহীৰ উপ-প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী আৰু ডুবাইৰ যুৱৰাজ মহামহিম শ্বেইখ হামদান বিন মহম্মদ বিন ৰছিদ আল মাকতুমৰ ভাৰত ভ্ৰমণ অন্তৰ্ভুক্ত হৈ আছে।

2. ভাৰত আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ মাজত এক উষ্ম, মধুৰ আৰু বহুমুখী সম্পৰ্ক বিৰাজমান, যাৰ আধাৰ হৈছে শক্তিশালী ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক বান্ধোন। দুয়োখন দেশ ইখনে সিখনৰ অন্যতম শীৰ্ষ বাণিজ্য আৰু বিনিয়োগ সহযোগী, যিটো অংশীদাৰিত্বমূলক অৰ্থনৈতিক সহযোগিতা চুক্তি (চিইপিএ), স্থানীয় মুদ্ৰা নিষ্পত্তি ব্যৱস্থা আৰু দ্বিপাক্ষিক বিনিয়োগ চুক্তিৰ দ্বাৰা অধিক শক্তিশালী হৈছে। ভাৰত আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ মাজত এক শক্তিশালী শক্তি অংশীদাৰিত্বও বিৰাজমান, যাৰ ভিতৰত দীৰ্ঘম্যাদী শক্তি যোগানৰ ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত আছে।

3. এই ভ্ৰমণে দুই নেতাক ভাৰত-সংযুক্ত আৰব আমিৰশ্বাহীৰ সামগ্ৰিক কৌশলগত অংশীদাৰিত্বৰ বাবে নতুন দিশ বা দিগন্ত নিৰ্ধাৰণ কৰাৰ এক সুযোগ প্ৰদান কৰিব। ইয়াৰ লগতে এই ভ্ৰমণে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰত মতামত বিনিময় কৰাত সহায় কৰিব, যিবোৰ ক্ষেত্ৰত ভাৰত আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ মাজত উচ্চ পৰ্যায়ৰ সাদৃশ্য বা সহমত আছে।

নতুন দিল্লী
জানুৱাৰী 18, 2026